# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-12-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::

১। ডº হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰী সভাৰ দপ্তৰসমূহৰ ব্যাপক সাল-সলনি। প্ৰশান্ত ফুকনক শক্তি আৰু কৃষ্ণেন্দু পালক পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দায়িত্ব।

২। সৰুপথাৰ সম-জিলাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ১৯ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উন্নীতকৰণৰ শুভাৰম্ভ আৰু কেইটামান প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে ৰাজহ সচিব সঞ্জয় মালহোত্ৰাক নিযুক্তি।

৪। ভূবনেশ্বৰত চলি থকা ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিক্স প্ৰতিযোগিতাৰ হাইজাম্পত অসমৰ জুবিন গোঁহাইৰ সোণৰ পদক, বৰ্ণিল শৰ্মাৰ দৌৰত ৰূপৰ পদক অৰ্জন। *আৰু*

৫। ওমানৰ মাস্কটত চলি থকা মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰত-মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ মন্ত্ৰী সভাৰ দপ্তৰসমূহৰ আজি ব্যাপক সাল-সলনি ঘটাইছে। মন্ত্ৰী সভাত নতুনকৈ অন্তৰ্ভুক্ত হোৱা প্ৰশান্ত ফুকনক শক্তি, দক্ষতা-বিকাশ, নিয়োগ আৰু উদ্যমিতা, প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰত যোজনাৰ অধীনৰ চিকিৎসা সেৱা আৰু গৱেষণা বিভাগৰ দায়িত্ব দিয়া হৈছে। কৌশিক ৰয়ক খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, খনি আৰু খনিজ সম্পদ বিভাগ আৰু নৱগঠিত বৰাক উপত্যকা উন্নয়ন বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। কৃষ্ণেন্দু পালক পশু পালন আৰু পশু চিকিৎসা, মীন আৰু প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনৰ লোকনিৰ্মাণ বিভাগৰ দায়িত্ব দিয়া হৈছে। ৰূপেশ গোৱালাক শ্ৰমিক কল্যাণ বিভাগ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগ আৰু গৃহ বিভাগৰ অধীনৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ কেইবাগৰাকী মন্ত্ৰীৰ দায়িত্বৰো সালসলনি ঘটাইছে। এই দপ্তৰ বণ্টন সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে এইদৰে কয় ঃ

বাইট ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ দৰেই গৃহ আৰু কৰ্মচাৰী বিভাগ, লোকনিৰ্মাণৰ গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ বিভাগ আৰু লোকনিৰ্মাণৰ পথ শাখাৰ দায়িত্ব নিজৰ হাতত ৰাখিছে। কেইবাগৰাকীও পুৰণি মন্ত্ৰীক পূৰ্বৰ দায়িত্বৰ পৰা অব্যাহতি দি কেতবোৰ বিভাগৰ নতুন দায়িত্ব দিয়া হৈছে। আজিৰ এই দপ্তৰৰ বণ্টনৰ বিষয়ে অধিক জনাইছে আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে ঃ

বাইট ঃ ৰাজীৱ লোচন বৰঠাকুৰ

০০০০

সৰুপথাৰ সম-জিলাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৯ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উন্নীতকৰণ আৰু কেইটামান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই অনুসৰি মুখ্যমন্ত্ৰীয়ে প্ৰায় ১৫ কোটি টকা

ব্যয়সাপেক্ষে নিৰ্মিত এশখন বিছনাযুক্ত সৰুপথাৰ সম-জিলা অসামৰিক চিকিৎসালয়খন উদ্বোধন কৰে। এই চিকিৎসালয়খনত ৯টা বহিঃ বিভাগীয় কক্ষ, দুটা প্ৰসৱ কক্ষ, অস্ত্ৰোপচাৰ কক্ষ, নৱজাতকৰ বিশেষ যতন কক্ষ, জৰুৰীকালীন সেৱা কক্ষৰ লগতে অন্যান্য সুবিধাসমূহ থাকিব। ড০ শৰ্মাই সৰুপথাৰ ইনড'ৰ ষ্টেডিয়াম আৰু এটা সভাগৃহও উদ্বোধন কৰে। ৪ হাজাৰ আসনযুক্ত এই গ্ৰাম্য ষ্টেডিয়াম এম জি এনৰেগাৰ বিত্তীয় সাহায্যৰে নিৰ্মাণ কৰা হৈছে। তদুপৰি প্ৰায় ২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া সৰুপথাৰ ছুইমিং পুলৰ আধাৰশিলাও মুখ্যমন্ত্ৰীয়ে স্থাপন কৰে।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে সঞ্জয় মালহোত্ৰাক নিযুক্তি দিয়া হৈছে। তেওঁ বৰ্তমানৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ স্থলাভিষিক্ত হ'ব। মালহোত্ৰাই সম্প্ৰতি কেন্দ্ৰীয় ৰাজহ দপ্তৰৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁক ৩ বছৰ কাৰ্যকালৰ বাবে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ নিযুক্তি সমিতিয়ে শ্ৰীমালহোত্ৰাৰ নামটো গৱৰ্ণৰ হিচাপে অনুমোদন জনাইছে। অহা ১১ ডিচেম্বৰত তেওঁ দায়িত্বভাৰ গ্ৰহণ কৰিব।

০০০০

দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ গোচৰ আৰু কংগ্ৰেছ নেতাসকলৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা সংস্থাৰ সৈতে সম্পৰ্ক থকা বুলি উঠা অভিযোগক কেন্দ্ৰ কৰি সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজি দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পূৰ্বে শাসক আৰু বিৰোধী পক্ষই পৰস্পৰৰ বিপক্ষে অভিযোগ-প্ৰতি-অভিযোগ উত্থাপন কৰি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে আৰু কাৰ্য্য-ক্ৰমণিকা বাৰে বাৰে বাধাপ্ৰাপ্ত হয়। এনে পৰিস্থিতিত উভয় সদনৰ সভাপতি দুগৰাকীয়ে কাৰ্য-ক্ৰমণিকা কেইবাবাৰো স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাত আজি কংগ্ৰেছ, ডি এম কে আৰু বিৰোধীপক্ষৰ অন্য দলৰ সদস্যসকলে এটা আগশাৰীৰ ব্যৱসায় গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগক আৰু অন্য বিষয় লৈ সদন উত্তাল কৰি তোলে। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে দুপৰীয়া সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰে'ল সংশোধনী বিধেয়ক-২০২৪ৰ সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দিয়াৰ চেষ্টা চলায় যদিও প্ৰতিবাদী সদস্যসকলে সদনৰ কাম-কাজৰ পৰিচালনাত থকা সভাপতিগৰাকীৰ অনুৰোধক আওকাণ কৰি প্ৰতিবাদ অব্যাহত ৰাখে আৰু তিনিবাৰকৈ কাৰ্য্য-ক্ৰমণিকা স্থগিত ৰাখিবলগীয়া হয়।

ৰাজ্য সভাত আজি বিজেপিৰ জ্যেষ্ঠ নেতা জে পি নাড্ডাই কংগ্ৰেছ দলে ৰাষ্ট্ৰীয় সুৰক্ষাৰ অৱমাননা কৰা বুলি অভিযোগ তোলাৰ লগতে কংগ্ৰেছৰ একাংশ নেতা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ছ'ৰ'ছ ফাউণ্ডেছনৰ মাজত যোগসূত্ৰ থকাৰ অভিযোগ কৰে। শ্ৰীনাড্ডাই শাসকীয় পক্ষই সদনৰ কামকাজ চলাই নিয়াটো আৰু শূন্য কালত বিভিন্ন বিষয়লৈ আলোচনা অনুষ্ঠিত হোৱাটো বিচাৰে বুলি উল্লেখ কৰে। তেওঁ লগতে বিৰোধী দলসমূহে সুবিধা অনুসৰি নিজৰ স্থিতি সলনি কৰা বুলি অভিযোগ তোলে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে একে ধৰণৰ মন্তব্য প্ৰকাশ কৰে। ইয়াৰ প্ৰত্যুত্তৰত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই বিজেপিয়ে কংগ্ৰেছক লৈ উত্থাপন কৰা সকলো অভিযোগ নস্যাৎ কৰে। তেওঁ লগতে শাসকীয় পক্ষৰ মনোভাৱত সন্দেহ প্ৰকাশ কৰে আৰু তেওঁলোকেহে সদনৰ কাম-কাজ চলাই নিয়াৰ পৰিপন্থী সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি অভিযোগ তোলে। সভাপতি জগদীপ ধনখড়ে দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব সদনৰ পৱিত্ৰতাৰ বাবে অপৰিহাৰ্য্য বুলি মন্তব্য কৰে আৰু দেশৰ বাবে ভাবুকিৰ

সৃষ্টি কৰা প্ৰতিটো অপশক্তিকে চালুকীয়া অৱস্থাতে বিনাশ কৰাটো অতিশয় প্ৰয়োজনীয় বুলি উল্লেখ কৰে। সদনৰ অচলাৱস্থাৰ অন্ত পেলাবলৈ সভাপতিগৰাকীয়ে বিয়লি বিজেপিৰ জেষ্ঠ নেতা জে পি নাড্ডা, বিৰোধীৰ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু আন কেইবাগৰাকীও বিৰোধী পক্ষৰ নেতাৰ সৈতে বৈঠকত মিলিত হয়। সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ উদ্দেশ্যে এই বৈঠকখন কাইলৈ পুৱাৰ ভাগত পুনৰ অনুষ্ঠিত হ'ব বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ সৰুপথাৰত আয়োজিত অসম নেপালী সাহিত্য সভাৰ অধিৱেশন আৰু সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অসম নেপালী সাহিত্য সভাই মুখ্যমন্ত্ৰীক কৰ্মযোগী উপাধি প্ৰদান কৰে। শিৱাজী ৰায় সমন্বয় ক্ষেত্ৰত আয়োজিত এই কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে নেপাল, ভূটান আৰু ছিকিমৰ ভালেকেইগৰাকী প্ৰতিনিধিয়ে অংশ লয়।

০০০০

বিজ্ঞান আৰু পৰিৱেশ কেন্দ্ৰই পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মূল্যায়ন সন্দৰ্ভত অহা ১৪ ডিচেম্বৰৰ পৰা ২৩ জানুৱাৰীলৈ দহদিনীয়া অনলাইন প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিছে। এই প্ৰশিক্ষণত পৰিৱেশগত প্ৰভাৱ মূল্যায়ন প্ৰস্তুত কৰাৰ পদ্ধতিৰ ওপৰত অধিৱেশন, বেছলাইন ডাটা সংগ্ৰহৰ পদ্ধতি, পৰিৱেশ নিষ্কাষণ প্ৰক্ৰিয়াৰ সৈতে প্ৰভাৱবোৰ চিনাক্তকৰণ আৰু মূল্যাংকন অন্তৰ্ভুক্ত কৰা হৈছে। অংশগ্ৰহণকাৰী সকলক দৃশ্যশ্ৰাব্য প্ৰশিক্ষণ সামগ্ৰী প্ৰদান কৰা হ'ব যাৰ জৰিয়তে সুবিধা অনুসৰি স্ব-অধ্যয়ন কৰিব পাৰিব। পাঠ্যক্ৰমৰ সামগ্ৰী দৈনিক দুঘণ্টাৰ বাবে উপলব্ধ হ'ব। এই প্ৰশিক্ষণত পেচাদাৰী, উদ্যোগী, পৰিৱেশ পৰামৰ্শদাতা, গৱেষক, শিক্ষাবিদ, বেচৰকাৰী সংগঠনৰ লগতে পৰিৱেশৰ সম্পৰ্কীয় কাম কৰিবলৈ আগ্ৰহী শিক্ষাৰ্থীসকলে অংশ ল'ব পাৰিব।

০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ ইতিহাস প্ৰসিদ্ধ জোনবিলৰ পাৰত অহা ১৬ৰ পৰা ১৮ জানুৱাৰীলৈ ঐতিহাসিক জোনবিল মেলাৰ আয়োজন কৰা হৈছে। গোভা দেওৰজাৰ ৰাজপৰিষদ, জোনবিল মেলা উন্নয়ন সমিতি আৰু তিৱা ৰাজদৰবাৰে অলপতে গোভা দেওৰজাৰ নখোলা ৰাজভৱনত অনুষ্ঠিত দৰবাৰত এই সিদ্ধান্ত গ্ৰহণ কৰে। তিৱা সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ তথা পাহাৰ-ভৈয়ামৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি এই জোনবিল মেলাত কাৰ্বি আংলং জিলাৰ অৰ্ধশতাধিক গাঁৱৰ লগতে মেঘালয়ৰ ২০ খনৰো অধিক গাঁৱৰ মামা-মামীসকলে পাহাৰত উৎপাদিত সামগ্ৰী লৈ পৰম্পৰাগত বিনিময় প্ৰথাত অংশগ্ৰহণ কৰিব। জোনিবল মেলাৰ দ্বিতীয় দিনা বহিবলগীয়া গোভা দেওৰজাৰ ৰাজদৰবাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকী মন্ত্ৰী, বিধায়ক উপস্থিত থাকিব। এই ৰাজদৰবাৰতে ২২ গৰাকী তিৱা ৰজাক ৰাজ্য চৰকাৰে ৰাজভাট্টা প্ৰদান কৰিব।

০০০০

ধেমাজীৰ চিলাপথাৰত অহা ২৫ ডিচেম্বৰত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ অনাতাঁৰ মৰম পৰিয়ালৰ প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হ'ব। এই বৰ্ষত পৰিয়ালটোৱে আকাশবাণী গুৱাহাটীৰ অনুষ্ঠানসমূহৰ মুৰব্বী কাৰ্তিক সূত্ৰধৰলৈ শ্ৰোতা প্ৰেৰণা বঁটা আগবঢ়াইছে। চৰাইদেউৰ সদ্যপ্ৰয়াত জালালুদ্দিন হালদাৰলৈ অনাতাঁৰ শ্ৰোতা বন্ধু বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত এটা ৰেডিঅ', স্মাৰক, জাপি, সম্বৰ্ধনা পত্ৰ, অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা আগবঢ়োৱা হ'ব।

০০০০

গদ্য সাহিত্যৰ জনক, দামোদৰ দেৱৰ শিষ্য শ্ৰীশ্ৰী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ আজি ৪৬৬ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হয়। ভট্টদেৱ হিচাপে পৰিচিত এইগৰাকী পুৰোধাই অসমীয়া সমাজক আধ্যাত্মিক চিন্তা-চেতনাৰে উদ্বুদ্ধ কৰাৰ লগতে সাহিত্য সৃষ্টিৰে অৱদান আগবঢ়াইছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে মহান অসমীয়াগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে মহাপুৰুষগৰাকীক প্ৰাতঃস্মৰণীয় ব্যক্তিত্ব বুলি অভিহিত কৰে। ভাৰতীয় আঞ্চলিক ভাষাত পোনপ্ৰথম কথা-সাহিত্যৰ ৰচকগৰাকীক আজি সমগ্ৰ ৰাজ্যৰে সত্ৰ-নামঘৰসমূহৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে দিনজোৰা কাৰ্যসূচীৰে স্মৰণ কৰে। এই উপলক্ষে ভাগৱত পাঠ, আয়তীৰ কীৰ্তন, নাম-প্ৰসংগ আদি ভালেমান কাৰ্যসূচী অনুষ্ঠিত হয়। বৰপেটা জিলাৰ ব্যাসকুছি আৰু পাটবাউসী সত্ৰতো এই উপলক্ষে কাৰ্যসূচী গ্ৰহণ কৰা হয়।

oooo

হাফলঙৰ প্ৰবীন সাংবাদিক তথা ৰাজনীতিবিদ ৰুদ্ৰজিৎ লাইশ্ৰামৰ অন্ত্যেষ্টিক্ৰিয়া আজি হাফলঙত ভালেসংখ্যক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন হয়। বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত কালি দুপৰীয়া লাইশ্ৰামৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮১ বছৰ। ১৯৭০ চনৰ পৰা ১৯৯০ চনলৈকে প্ৰায় ২০ বছৰ কাল তেওঁ আকাশবাণী গুৱাহাটীৰ অংশকালীন সংবাদদাতা হিচাপে সেৱা আগবঢ়াইছিল। ডিমা হাচাও জিলাৰ সমাজনীতি আৰু ৰাজনীতিৰ সৈতে সুপৰিচিত লাইশ্ৰামে পৰৱৰ্তী সময়ত ৰাজনীতিত যোগদান কৰিছিল আৰু মৃত্যুৰ সময়লৈকে তেওঁ ডিমা হাচাও জিলা কংগ্ৰেছ কমিটীৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ মৃত্যুত জিলাখনত শোকৰ ছাঁ পৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগত আজি দুপৰীয়া অনুষ্ঠিত এখন শোক সভাত লাইশ্ৰামৰ আত্মাৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনা কৰা হয়।

oooo

ধুবুৰী জিলাৰ গৌৰীপুৰ আৰক্ষীয়ে আজি অভিযান চলাই এটা চাইবাৰ অপৰাধীক কৰায়ত্ব কৰে। আৰক্ষীয়ে অপৰাধীটোৰ পৰা ১৫ খন এটিএম কাৰ্ড জব্দ কৰে। আটকাধীন লোকজন ধুবুৰীৰ বাইল্লাৰ চৰ এলেকাৰ আবু বক্কৰ ছিদ্দিকী বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে।

oooo

বড়ো জনগোষ্ঠীৰ প্ৰথমগৰাকী পি এইচ ডি ডিগ্ৰীধাৰী প্ৰয়াত ড০ বাশীৰাম বড়োৰ সোঁৱৰণত বিটিআৰ প্ৰশাসনে আৰম্ভ কৰা ডক্টৰেল ফেল'শ্বিপ আঁচনিৰ অধীনত আজিৰে পৰা প্ৰাৰ্থীসকলৰ পৰিক্ষণ অনুষ্ঠিত হৈছে। এই ফেল'শ্বিপৰ বাবে আবেদন লাভ কৰা ১১১ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৮৯ গৰাকী যোগ্য বিবেচিত হৈছিল। যোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত ৪৫ গৰাকী প্ৰাৰ্থীৰ পৰিক্ষণ আজি হোৱাৰ লগতে কাইলৈ বাকীসকলৰ পৰিক্ষণ অনুষ্ঠিত হ'ব। বিটিচিৰ শিক্ষা সঞ্চালক জগদীশ প্ৰসাদ ব্ৰহ্মই প্ৰকাশ কৰা মতে ৫০ গৰাকী যোগ্য প্ৰাৰ্থীলৈ এই আঁচনিৰ অধীনত উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ দিয়া হ'ব। প্ৰতিগৰাকী প্ৰাৰ্থীলৈ বছৰেকত এক লাখ ৮০ হাজাৰ টকা প্ৰদান কৰা হ'ব। প্ৰাৰ্থীসকলে তিনি বছৰৰ ভিতৰত গৱেষণা সম্পূৰ্ণ কৰিব লাগিব বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে।

oooo

ভূৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত চলি থকা ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিক্স প্ৰতিযোগিতাৰ হাইজাম্প ইভেণ্টত ল'ৰাৰ ১৬ বছৰ অনুৰ্দ্ধৰ শাখাৰ অসমৰ জুবিন গোঁহাইয়ে সোণৰ পদক লাভ কৰিছে। আনহাতে, অসমৰ বৰ্ণিল শৰ্মাই প্ৰতিযোগিতাৰ ১৬ বছৰ অনুৰ্ধ শাখাত ৮০ মিটাৰ হাৰ্ডলছ্ ইভেণ্টত ১০ দশমিক ৩ - ৯ চেকেণ্ডত দৌৰ সমাপ্ত কৰি ৰূপৰ পদক অৰ্জন কৰে।

০০০০

ওমানৰ মাস্কটত চলি থকা  মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰত আজি পৰৱৰ্তী গ্ৰুপ পৰ্যায়ৰ খেলত  মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ ৬ বাজি ১৫ মিনিটত হ'বলগীয়া পুল-বিৰ আন এখন খেলত চীনা টাইপেই দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব। ভাৰতে যোৱা নিশা বাংলাদেশক ১৩-১ গলৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। অহা বছৰ চিলিত হ'বলগীয়া এফ আই এইছ জুনিয়ৰ বিশ্বকাপৰ বাবে জুনিয়ৰ এছিয়া কাপ প্ৰতিযোগিতাখন যোগ্যতা নিৰ্ণয়কাৰী খেল হিচাপে বিবেচিত হ'ব। প্ৰতিযোগিতাৰ শীৰ্ষ ৫টা দলে বিশ্বকাপত অৱতীৰ্ণ হোৱাৰ বাবে যোগ্যতা লাভ কৰিব।

০০০০

লখিমপুৰৰ ঘূণাসুঁতিৰ নিবাসী সৰিয়হৰখীয়া এজনী গাভৰু স্ৰষ্টা, কবি যোগান টাইডৰ আজি মৃত্যু হয়। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা কবিগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৭ বছৰ।

০০০০

সমাপ্ত